নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ❑ যোৰহাট সংস্কৰণ ❑ মুঠ পৃষ্ঠা ১২

৩—২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ চতুৰ্দশ বছৰ সংখ্যা ৯০ বুধবাৰ ২৯ মাঘ ১৯৪৬ শক ১২ ফেব্ৰুৱাৰী ২০২৫ চন ASOMIYA KHABAR JORHAT WEDNESDAY

### প্ৰতিখন অভিধান একো-একোটা জাতিৰ ইতিহাস স্বৰূপ ঃ ড° শশীকান্ত শইকীয়া

## ডাঃ অতুল বৰগোহাঁইক পণ্ডিত টেঙাই মহন বঁটা প্ৰদান টাইপাৰ

ষ্টাফ্ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ১১ ফেব্ৰুৱাৰী ঃ বিশিষ্ট চিকিৎসক, লেখক তথা ৰাষ্ট্ৰীয় পৰ্যায়ৰ ফুটবল খেলুৱৈ ডাঃ অতুল বৰগোহাঁইক আজি টাই আহোম যুৱ পৰিষদে প্ৰদান কৰিলে 'পণ্ডিত টেঙাই মহন বঁটা'। অসমৰ প্ৰথমগৰাকী অভিধান প্ৰণেতা পণ্ডিত টেঙাই মহনৰ মৃত্যু বাৰ্ষিকীৰ লগত সংগতি ৰাখি আজি বৰবৰুৱা ছুকাফা ভৱনত অনুষ্ঠিত হোৱা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ডাঃ বৰগোহাঁইক প্ৰদান কৰে পণ্ডিত টেঙাই মহন বঁটা। টাইপাৰ কেন্দ্ৰীয় সমিতিৰ আহ্বানত ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত আৰু নগৰ সমিতিৰ সহযোগত অনুষ্ঠিত অনুষ্ঠানত ডাঃ বৰগোহাঁইয়ে পণ্ডিত টেঙাই মহন বঁটা গ্ৰহণ কৰি কয়, ইংলেণ্ডলৈ যোৱা প্ৰথমগৰাকী অসমীয়া হৈছে টেঙাই মহন। এই টেঙাই মহনে ব্ৰিটিছৰ আমন্ত্ৰণত ইংলেণ্ডত ছয়বছৰ শিক্ষাগ্ৰহণ কৰি অসমলৈ উভতি আহি প্ৰথমখন অভিধান প্ৰণয়ন কৰিছিল। কিন্তু এইগৰাকী পণ্ডিতক ৰাজ্য চৰকাৰে উপেক্ষা কৰিছে। তেওঁৰ সৃষ্টিৰাজি সংৰক্ষণত অনীহা প্ৰকাশ কৰি আহিছে চৰকাৰে। আনহাতে, নৱ-প্ৰজন্মৰ মাজত পণ্ডিত টেঙাই মহনৰ সৃষ্টিৰাজিক প্ৰসাৰ আৰু প্ৰচাৰ কৰিবলৈ ন্যাস গঠনত পোষকতা কৰিছে ডাঃ অতুল বৰগোহাঁইয়ে। টাইপাৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি সৰ্বজ্যোতি গগৈৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা অনুষ্ঠানত অংশগ্ৰহণ কৰি ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ শশীকান্ত শইকীয়াই কয়, অভিধান আৰু ইতিহাস দুয়োটাই জাতিৰ সম্পদ। অভিধানে শব্দ, ভাষাৰ যোগেদি ইতিহাস লিপিবদ্ধ কৰে আৰু ইতিহাসে জাতিৰ উৎপত্তি, বিকাশ, ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক, পৰম্পৰা সংৰক্ষণ আদিৰ বিষয়ে লিপিবদ্ধ কৰে। দুয়োটাই একো-একোটা জাতিৰ ঐতিহাসিক দলিল। অভিধান হৈছে ভাষাৰ গুপ্ত ধন। ই ভাষা, সাহিত্য, সংস্কৃতি আৰু ইতিহাসৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। প্ৰায় দুশবছৰৰ আগতে পণ্ডিত টেঙাই মহনে অভিধান সৃষ্টি কৰি এক ইতিহাস সৃষ্টি কৰি থৈ গৈছে। ড° শশীকান্ত শইকীয়াই লগতে কয় যে, পণ্ডিত টেঙাই মহন এগৰাকী বুৰঞ্জীবিদ, অসমৰ প্ৰথমখন অভিধান প্ৰণেতা, লেখক, চিন্তাবিদ, বুদ্ধিজীৱী আছিল। আচলতে টেঙাই মহন অসমৰ অন্যতম এগৰাকী কিংবদন্তি পুৰুষ আছিল। তেওঁ সৃষ্টি কৰা অভিধান আৰু বুৰঞ্জীমূলক সৃষ্টিসমূহে অসমীয়া জাতিৰ ইতিহাসকে লিপিবদ্ধ কৰিছে। সেয়া যেন প্ৰথমখন অভিধানৰ সমান্তৰালভাৱে অসমীয়া জাতিৰ বহুমূলীয়া ইতিহাস। কেৱল অভিধান বুলি কৈ থ'লেই পূৰ্ণতা নাপায় বুলিও তেওঁ কয়। টেঙাই মহনৰ অধ্যৱসায় আৰু সাধনাৰ পৰা অসমীয়া সমাজে বহু কথা শিকিব পাৰে। ড° শশীকান্ত শইকীয়াই ভাষণ প্ৰসংগত কয়, যিকোনো এটা জাতিৰ উন্নতি সেই জাতিৰ অতীত অধ্যয়নৰ পৰা জানিব পাৰি। জাতিটোক আগুৱাই নিবলৈ হ'লে অতীত অধ্যয়ন কৰিব লাগিব। অতীত অধ্যয়নে ভৱিষ্যতৰ বাট মুকলি কৰে বুলিও তেওঁ কয়। নতুন প্ৰজন্মই অভিধান, ইতিহাস অধ্যয়ন কৰাতো নিতান্তই প্ৰয়োজন বুলিও উল্লেখ কৰি ড° শইকীয়াই কয়-অতীতৰ গভীৰ বিশ্লেষণ কৰি আগুৱাই গ'লে ভৱিষ্যতে ভুল হোৱাৰ সম্ভাৱনা কম হয়। অভিধানত জাতিৰ চিন্তা যেনেকৈ লিপিবদ্ধ কৰা হয়, একেদৰে ইতিহাসতো জাতিৰ দৰ্শন থাকে। সমাজ গঠনত তেনে চিন্তই সহায় কৰে বুলি উল্লেখ কৰি তেওঁ কয়, সমাজ সদায় সত্য তথ্যৰ ওপৰত নিৰ্ভৰ কৰে। শুদ্ধ আৰু সত্য তথ্যই সমাজ সুন্দৰ কৰা আদৰ্শ পণ্ডিত টেঙাই মহনে প্ৰায় দুশ বছৰৰ পূৰ্বে অভিধান, বুৰঞ্জী লিখি অসমীয়া জাতিক ভাষা, শব্দৰ যোগেদি অতীতৰ তথ্য সংৰক্ষণৰ বাট মুকলি কৰি গৈছিল। অসমীয়াৰ প্ৰথমখন অভিধান প্ৰণেতা হিচাপে তেওঁ অসমীয়া ভাষা-সাহিত্যৰ সেৱা কৰি গ'ল বুলিও তেওঁ কয়। আচলতে সেয়া অভিধান নুবুলি অসমীয়া জাতিৰ এক অলিখিত ইতিহাস বুলিব পাৰি বুলিও তেওঁ কয়। উল্লেখ্য যে ২০২২ চনৰেপৰা পণ্ডিত টেঙাই মহনৰ স্মৃতিত টাইপাই ধাৰাবাহিকভাৱে বঁটা প্ৰদান কৰি আহিছে। এইবছৰ তৃতীয়বাৰৰ বাবে প্ৰৱৰ্তন কৰা এই বঁটা আজি ডাঃ অতুল বৰগোহাঁইক আনুষ্ঠানিকভাৱে প্ৰদান কৰে। এইঅনুষ্ঠানত টাইপাৰ কেন্দ্ৰীয় সভাপতি বিজয় ৰাজকোঁৱৰ, জ্যেষ্ঠ সাংবাদিক মনজিত বৰা, সমাজকৰ্মী স্বাক্ষৰ বৰগোহাঁই, ডিব্ৰুগড় নগৰ উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকা, ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সভাপতি ৰূপজ্যোতি বৰঠাকুৰ আদিৰ উপৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তিৰ লগতে মহনৰ শুভাকাংক্ষীসকল উপস্থিত থাকে।